কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/০৯/২০২৩-২৪
Ref :

তাৰিখ : ১৫-০৮-২০২৩
Date :

## অসম জাতীয় বিদ্যালয়ত স্বাধীনতা দিৱস উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ১৫ আগষ্ট, ২০২৩ ঃ** সমগ্ৰ দেশৰ লগতে আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়তো দেশৰ ৭৭সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। পুৱা ৭:৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। পতাকা উত্তোলন কৰি দিয়া ভাষণত অধ্যক্ষগৰাকীয়ে ভাৰতৰ স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দিয়া প্ৰতিগৰাকী সংগ্ৰামীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। এখন সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত বিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষাৰ্থীকে নিজৰ কৰ্তব্য তথা দায়িত্ব নিয়াৰিকৈ পালন কৰিবলৈ তেওঁ আহ্বান জনায়। এই অনুষ্ঠানতে বিদ্যালয়ৰ শৈক্ষিক বিষয়া ৰোহিণী কুমাৰ গোস্বামীয়ে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ বিষয়ে শিক্ষাৰ্থীসকলক অৱগত কৰে। আনহাতে স্বাধীনতা দিৱস উপলক্ষে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে সমৱেত সংগীত পৰিৱেশন কৰাৰ লগতে দেশপ্ৰেমমূলক গীত-নৃত্যৰে মনোজ্ঞ কাৰ্য্যসূচী ৰূপায়ণ কৰে। অনুষ্ঠানত বিদ্যালয়ৰ সমাজ বিজ্ঞান বিষয়ৰ শিক্ষয়িত্ৰী মৌচুমী দেৱীয়ে 'ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া নাৰীৰ ভূমিকা' শীৰ্ষক বক্তৃতা প্ৰদান কৰাৰ লগতে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী সুদীপ্ত কলিতাই 'ভাৰতৰ স্বাধীনতা আন্দোলনত সংবাদ মাধ্যমৰ ভূমিকা' বিষয়ক এক তথ্যসমৃদ্ধ বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগ বঢ়ায় অসমীয়া আৰু সংস্কৃত বিভাগৰ শিক্ষয়িত্ৰী পল্লৱী গোস্বামীয়ে। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থী শৌভাংগী হালৈয়ে। স্বাধীনতা দিৱসৰ আজিৰ অনুষ্ঠানটোৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ কাজিৰঙা হাউছৰ দায়িত্বৱাহী শিক্ষক ৰূপজ্যোতি চেতিয়া, অমৰজ্যোতি কলিতা আৰু প্ৰণীতা দেৱী।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়